**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ অন্তিম দিন। ১২টা সমষ্টিৰ বাবে ৰাইজৰ দলৰ প্ৰাৰ্থী তালিকা প্ৰকাশ।

২। ৰাজ্যিক নিৰ্বাচন আয়োগৰ ইভিএম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ড'মাইজেচন সম্পন্ন।

৩। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন স্থানত ফ্লায়িং স্কোৱাড আৰু নিৰীক্ষণকাৰী দলৰ তালাচী অভিযান অব্যাহত।

৩। হৰমুজ প্ৰণালীৰে জাহাজ চলাচল কৰোঁৱাৰ সময়ত জাহাজ আৰু নাৱিকসকলৰ সুৰক্ষাত অগ্ৰাধিকাৰ দিয়া হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

**আৰু**

৫। ফ্ৰান্সত অনুষ্ঠিত অৰ্লেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত অসমৰ ঈষাৰাণী বৰুৱা পৰাস্ত।

ooooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল আৰু প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিনা বহু প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব। ইপিনে, জিলা প্ৰশাসনসমূহেও নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা অব্যাাহত ৰাখিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৰেলে কালি ডিমাহাচাও জিলাত উপস্থিত হৈ জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত শ্ৰী গোৰেলে প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে নিৰ্বাচনী ব্যৱস্থাপনা আৰু আইন-শৃংখলা ৰক্ষাৰ পদক্ষেপসমূহৰ বুজ লয়। ডিমাহাচাও জিলাত স্থাপন কৰিবলগীয়া ২৬১ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত এটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। ১৫ টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাই পৰিচালনা কৰিব। শ্ৰী গোৰেলে জিলাখনৰ ষ্ট্ৰংৰুম পৰিদৰ্শন কৰাৰ লগতে নিয়াৰিকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতিৰ বুজ লয়।

মাজুলীত কালি জিলা নিৰ্বাচনী বিষয়া সৃষ্টি সিং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শোভাদৰ্শিনীয়ে আহতগুৰি অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁলোকে প্ৰতিটো কেন্দ্ৰতে ন্যূনতম সা-সুবিধা নিশ্চিত কৰাৰ লগতে যাতায়াতৰ সু-ব্যৱস্থা আৰু নিৰাপত্তা সম্পৰ্কীয় বিষয়ত গুৰুত্ব আৰোপ কৰে। ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানত কালি নিৰীক্ষণকাৰী দল আৰু ফ্লাইং স্কোৱাদে অভিযান চলায়। জিলাখনত একাংশ জ্যেষ্ঠ বিষয়াৰ দলে নাহৰকটিয়া বিধানসভা সমষ্টিৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। জিলা আয়ুক্ত

বিক্ৰম কৈৰী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ দিলীপৰ নেতৃত্বৰ এই দলটোৱে সমষ্টিটোৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰয়োজনীয় আন্তঃগাথনি আৰু সা-সুবিধাৰ বুজ লয়। যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে কালি নিৰ্বাচনৰ ষ্টং ৰূম হিচাপে ব্যৱহাৰ হ'বলগীয়া যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয় আৰু বালিকা বিদ্যালয় পৰিদৰ্শন কৰে। লখিমপুৰ জিলাৰ ঢকুৱাখানাৰ জিলা নিৰ্বাচনী বিষয়া আৰু সম-জিলা আয়ুক্তই কালি ঢকুৱাখানা সমষ্টিৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

ইপিনে, বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে প্ৰচাৰ আৰম্ভ কৰিছে। বিজেপিয়ে পৰহিলৈ প্ৰচাৰ আৰম্ভ কৰিব বুলি দলৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

(বাইট ঃ ড০ শৰ্মা)

কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে কালি মাজুলীত প্ৰচাৰ চলায়। মাজুলীত বিজেপি প্ৰাৰ্থী ভূৱন গামেও কালি উজনি মাজুলীৰ কেইবাটাও অঞ্চলত প্ৰচাৰ চলায়। চিৰাং জিলাৰ চিদনীত কালি দুই শতাধিক লোকে বি পি এফ দলত যোগ দিয়ে। জিলাখনৰ গৰুভাষাত অনুষ্ঠিত এখন যোগদান সভাত এই লোকসকলে দলটোত যোগ দিয়ে। বাক্সা জিলাৰ মুছলপুৰত কালি ইউ পি পি এল আৰু জি এছ পিৰ ৭২ গৰাকী সদস্যই বি পি এফত যোগ দিয়ে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে কালি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। প্ৰকাশিত তালিকা অনুসৰি দলগাঁও সমষ্টিৰ বাবে কৃষ্ণা সাহাক বিজেপিয়ে প্ৰাৰ্থীত্ব দিছে। আনহাতে চিচিবৰগাঁও সমষ্টিত জীৱন গগৈক প্ৰাৰ্থীত্ব দিয়া হৈছে। ৰাইজৰ দলে কালি ১২ টা সমষ্টিৰ বাবে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। দলটোৱে গৌৰীপুৰ সমষ্টিত আব্দুল মিঞা, পূব গোৱালপাৰাত আব্দুৰ ৰচিদ মণ্ডল, মানস সমষ্টিত অঞ্জন তালুকদাৰ, দলগাঁৱত আজিজুৰ ৰহমান, ধিং সমষ্টিত মেহবুব মোক্তাব, কলিয়াবৰত প্ৰদীপ কুমাৰ বৰুৱা, তেজপুৰত অলক নাথ, চিচিবৰৰ গাঁৱত দুলাল চন্দ্ৰ বৰুৱা, মাৰ্ঘেৰিটাত ৰাহুল ছেত্ৰী, ডিগবৈত দুলাল মৰাণ, শিৱসাগৰত অখিল গগৈ আৰু মৰিয়নি সমষ্টিত ড০ জ্ঞানশ্ৰী বৰাক প্ৰাৰ্থীত্ব দিছে। বোকাখাট সমষ্টিৰ বাবে আজি প্ৰাৰ্থী ঘোষণা কৰা হ'ব বুলি দলে প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে অসমত ইভিএম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ড'মাইজেচন সম্পন্ন কৰিছে। নিৰ্বাচন আয়োগে প্ৰেছ বিজ্ঞপ্তিযোগে জনোৱা অনুসৰি দ্বি-স্তৰীয় ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়াৰ জৰিয়তে ইভিএমসমূহ নিজ নিজ ভোটকেন্দ্ৰসমূহত বিতৰণ কৰা হয়। প্ৰথম পৰ্যায়ত জিলা পৰ্যায়ৰ গুদামঘৰৰ পৰা বিধানসভা সমষ্টিসমূহলৈ ইভিএমসমূহ পূৰ্ব নিৰ্ধাৰণ নোহোৱাকৈ আৱণ্টন কৰা হয়। দ্বিতীয় পৰ্যায়তো বিধানসভা সমষ্টি পৰ্যায়ৰ পৰা ভোটকেন্দ্ৰসমূহলৈ বিতৰণ কৰা হয়। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশানুসৰি জিলা নিৰ্বাচনী বিষয়াসকলে প্ৰথম স্তৰৰ পৰীক্ষণত উত্তীৰ্ণ হোৱা ইভিএম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ পূৰ্ব নিৰ্ধাৰণ নোহোৱাকৈ এই আৱণ্টন সম্পন্ন কৰা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ উপস্থিতিত জিলা নিৰ্বাচনী বিষয়াসকলে ইভিএম ব্যৱস্থাপনা প্ৰণালীৰ জৰিয়তে এই প্ৰথম পৰ্যায়ত ইভিএমসমূহৰ আৱণ্টন পূৰ্ব নিৰ্ধাৰণ নোহোৱাকৈ

সম্পন্ন কৰে। ৰেণ্ড’মাইজেচন কৰা ইভিএম আৰু ভিভিপেটসমূহৰ সমষ্টিভিত্তিক তালিকা নিজ নিজ জিলা সদৰত সকলো ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিক প্ৰদান কৰা হৈছে। এই ইভিএম আৰু ভিভিপেটসমূহ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত সংশ্লিষ্ট বিধানসভাৰ ষ্ট্ৰংৰুমত সংৰক্ষণ কৰা হ’ব।

0000000

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিখন জিলাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ফ্লায়িং স্কোৱাড আৰু নিৰীক্ষণকাৰী দলে সক্ৰিয়ভাৱে দায়িত্ব পালন কৰি আছে। **বিশ্বনাথ** আৰক্ষীয়ে যোৱা নিশা বিহালীৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই এক লাখৰো অধিক নগদ ধন জব্দ কৰে। তেজপুৰৰ পৰা গহপুৰ অভিমুখী এখন বাহনৰ পৰা ধনখিনি জব্দ কৰা হয়। ধনৰ উৎস সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। **কামৰূপত** জিলা আৰু আৰক্ষী প্ৰশাসনে জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ নিৰ্বাচন সুকলমে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ ব্যৱস্থা হাতত লৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আৰক্ষী জোৱানে দিনে-নিশাই তালাচী চলাইছে। জিলাখনত ৯টা অৰ্ধ সামৰিক বাহিনীয়ে একেলগ হৈ আৰক্ষীৰ লগত নিৰাপত্তাৰ দিশ চোৱাচিতা কৰিছে।

বিধানসভা নিৰ্বাচন সংক্ৰান্তীয় যিকোনো অভিযোগ আৰু তথ্য ৰাইজে দাখিল কৰিব পৰাকৈ **বৰপেটা** জিলা প্ৰশাসনে নিয়ন্ত্ৰণ কক্ষসহ ফোন নম্বৰ মুকলি কৰিছে। জিলা প্ৰশাসনে জাননী যোগে উল্লেখ কৰা অনুসৰি নিৰ্বাচন সম্পৰ্কীয় যিকোনো তথ্য আৰু অভিযোগ টোল-ফ্ৰী নম্বৰ ১৯৫০ৰ জৰিয়তে দিব পাৰিব। তদুপৰি ৯১৮১১-৭৩৯৫৪ আৰু ৯৮৬৪৬-৪৩০৮৯ নম্বৰ দুটাৰ জৰিয়তেও অভিযোগ আৰু তথ্য অৱগত কৰিব পাৰিব।

**গোৱালপাৰা** আৰক্ষী প্ৰশাসনেও সমাগত বিধাসভা নিৰ্বাচনৰ বাবে সাজু হৈ উঠিছে। আৰক্ষী জোৱানসকলে জিলাখনৰ পাঁচটা স্থানত ৰুটমাৰ্চ কৰে। **তামুলপুৰ** আৰক্ষী প্ৰশাসনেও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে। জিলাখনৰ তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিত স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰ কালি আৰক্ষী আৰু এছ এছ বিৰ জোৱানসকলে যুটীয়াভাৱে ফ্লেগমাৰ্চ কাৰ্যসূচী ৰূপায়ণ কৰে।

**- - বাইট –-**

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত **নলবাৰী** জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, বেংক, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আদি দেওবাৰ আৰু অন্য চৰকাৰী বন্ধৰ দিনটো খোলা ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। জৰুৰী নিৰ্বাচনী চিঠি-পত্ৰ গ্ৰহণ কৰিবৰ বাবে অন্ততঃ এজন কাৰ্যালয়ৰ সহায়ক আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিজ নিজ কাৰ্যালয়ত বন্ধৰ দিনটো উপস্থিত থাকিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে। নিৰ্বাচনী কাম-কাজ অন্ত নপৰালৈকে এই নিৰ্দেশনা বাহাল থাকিব।

0000000

অসম আৰক্ষীয়ে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ স্বাৰ্থত সতৰ্কতামূলক গ্ৰেপ্তাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ওলাইছে। আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা-পৰিদৰ্শক অখিলেশ সিঙে কালি কয়, যে পূৰ্বতে অপৰাধৰ তথ্য থকা অভিযুক্তসকলৰ তালিকা চূড়ান্ত কৰা হৈছে আৰু নিৰ্বাচনৰ সময়ত অপ্ৰীতিকৰ ঘটনা ৰোধ

কৰাৰ উদ্দেশ্যে এইসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁ কয়, যে সকলো থানাকে এনে অপৰাধীৰ তালিকা প্ৰস্তুত কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। আৰক্ষীয়ে নিয়মীয়াভাৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰি আছে বুলি শ্ৰী সিঙে প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহনীৰ পাঁচটা আৰু দেশৰ বিভিন্ন অংশৰ ৰাজ্যিক সশস্ত্ৰ আৰক্ষী বাহিনীৰ ১৮টা দলৰ লগতে কন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ প্ৰায় ৮০০ টা কোম্পানী নিয়োগ কৰা হ'ব। ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি সন্তোষজনক বুলি উল্লেখ কৰি শ্ৰী সিঙে কয়, যে আৰক্ষীয়ে মুক্ত আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে আৰক্ষীয়ে চেষ্টাৰ অকনো ত্ৰুটি নকৰে।

০০০০০০০

হৰমুজ প্ৰণালীৰে জাহাজ চলাচল কৰোৱাৰ সময়ত জাহাজ আৰু নাবিকসকলৰ সুৰক্ষাত অগ্ৰাধিকাৰ দিয়া হৈছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। আমেৰিকা-ইজৰাইল আৰু ইৰানৰ যুদ্ধৰ বাবে পশ্চিম এচিয়াৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ থকাৰ কথা স্বীকাৰ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে আমি জাহাজ আৰু নাবিকসকলৰ জীৱন সংকটলৈ ঠেলি দিব নোৱাৰে। নিৰাপত্তাৰ বিষয়টোলৈ সম্পূৰ্ণৰূপে নিশ্চিত হোৱাৰ পাছতে জাহাজসমূহৰ চলাচল কৰিব পৰা যায় বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী সোণোৱালে কয়, যে হৰমুজ প্ৰণালীৰ সমীপত প্ৰায় ২২ খন জাহাজ আবদ্ধ হৈ আছে আৰু এই জাহাজসমূহ নিৰাপদে ঘূৰাই অনাৰ বাবে চেষ্টা চলাই থকা হৈছে। অশেষ চেষ্টা বলত ভাৰতে অলপতে এল পি জি কঢ়িওৱা দুখন জাহাজ হৰমুজ প্ৰণালীৰে পাৰ কৰি আনিবলৈ সমৰ্থ হৈছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতে তেলৰ নাটনিৰ জোৰা মৰাৰ বাবে বিভিন্ন দেশৰ পৰা খাৰুৱা তেলৰ আমদানি কৰিছে। প্ৰায় ৯০ হাজাৰ মেট্ৰিকটন খাৰুৱাতেল কঢ়িওৱা এখন জাহাজ আজি বিয়লিৰ ভাগলৈ দেশত উপস্থিত হোৱাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী সোণোৱালে কয়, যে হৰমুজ প্ৰণালীৰ বিকল্প হিচাপে এডেন উপসাগৰ, লোহিত সাগৰ আৰু অন্য পথসমূহৰ ব্যৱহাৰ কৰা হৈছে।

০০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ অকাজান ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰীক্ষাৰ বহিঃনিৰীক্ষক মনমোহন গগৈক দুষ্কৃতিকাৰীয়ে চলোৱা আক্ৰমণৰ ঘটনাৰ উচিত তদন্তৰ বাবে অসম কলেজ শিক্ষক সংস্থাই দাবী জনাইছে। ডিব্ৰুগড়ত কালি অনুষ্ঠিত সংবাদমেলত সংস্থাৰ কেন্দ্ৰীয় নেতৃত্বই চৰকাৰী কৰ্তব্য পালন কৰি থকাৰ সময়ত আক্ৰমণৰ বলি হোৱা শিক্ষকক নিৰাপত্তা প্ৰদানত ব্যৰ্থ হোৱা বুলি আৰক্ষী আৰু প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। আক্ৰমণৰ ঘটনাৰ সৈতে জড়িত দুষ্কৃতিকাৰীক উচিত শাস্তি দিবলৈ কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় নেতৃত্বই দাবী জনায়। বিষয়টো চৰকাৰে গুৰুত্ব নিদিলে এপ্ৰিল মাহৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীসমূহত পাঠদান কৰাৰ পৰা কলেজ শিক্ষকসকল বিৰত থাকিব বুলি সংবাদমেলত উল্লেখ কৰে।

০০০০০০০

এছ্ এছ্ বিৰ সঞ্চালক প্ৰধান সঞ্জয় সিংহলে কালি তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী দৰংগাৰ ৬৪ নম্বৰ বাহিনীৰ অন্তৰ্গত সীমান্ত চকী পৰিদৰ্শন কৰে। ভ্ৰমণকালত সঞ্চালক প্ৰধানগৰাকীয়ে দৰংগাৰ ভূটান গেটত নৱনিৰ্মিত সীমান্ত তালচী কেন্দ্ৰৰ কাম-কাজৰ অগ্ৰগতি আৰু ইয়াৰ কাৰ্যক্ষমতাৰ বুজ লয়। সঞ্চালক প্ৰধানগৰাকীয়ে ভূটানৰ বিশিষ্ট ব্যক্তি তথা তামুলপুৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ সৈতে সৌহাদ্যমূলক

আলোচনাত মিলিত হয়। ইয়াৰ পিছতে তেওঁ ৬৪ নম্বৰ বাহিনীৰ কাৰ্যক্ষেত্ৰৰ অধীনস্থ সংকলিত প্ৰশিক্ষণ চকী পৰিদৰ্শন কৰি ভূমি বন্দৰ কৰ্তৃপক্ষ আৰু সীমা শুল্ক বিভাগৰ বিষয়াসকলৰ সৈতে সমন্বয় ৰক্ষা সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। তেওঁ বি আই টি টি অঞ্চলটো ভ্ৰমণ কৰি কৰ্তব্যৰত জোৱানসকলক নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ অনুপ্ৰাণিত কৰাৰ লগতে মতংগা গেটত আন্তঃগাঁথনি অধিক শক্তিশালী কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

ফ্ৰান্সৰ অৰ্লেন্সত অনুষ্ঠিত অৰ্লেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত অসমৰ ঈষাৰাণী বৰুৱা পৰাস্ত হৈছে। কালি অনুষ্ঠিত ছেমি ফাইনেলত বিশ্বৰ ২৭ সংখ্যক ৰেংকিঙৰ খেলুৱৈ থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ হাতত ঈষাৰাণী পৰাস্ত হয়।

০০০০০০০

খেলো ইণ্ডিয়াৰ অধীনত কালিৰ পৰা গুৱাহাটীত অস্মিতা সাঁতোৰ লীগ অনুষ্ঠিত হৈছে। প্ৰথম দিনা ২০টা ইভেণ্ট অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ উপৰি বিহাৰ, ওড়িশা, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনৰ প্ৰতিটো ইভেণ্টৰ শীৰ্ষ ৪ গৰাকী সাঁতোৰবিদক আহমেদাবাদত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ অস্মিতা সাঁতোৰ লীগত অংশগ্ৰহণৰ সুযোগ দিয়া হ'ব।

০০০০০০০

News Paper REV. (22-03-2026) Morn.

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি আৰু ৰাইজৰ দলৰ প্ৰাৰ্থী তালিকা প্ৰকাশ, ৰন্ধন গেছৰ সংকট, ৰাজ্যজুৰি ঈদ-উল-ফিতৰ পালন আৰু মনোনয়ন দাখিলৰ অন্তিম দিনা কাইলৈ কেইবাৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ সমভাৱনাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠানত স্থান লাভ কৰা দেখা গৈছে। অসমীয়া প্ৰতিদিন কাকতে প্ৰাক্তন কংগ্ৰেছীৰ আধিপত্যৰে বিজেপিয়ে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা পাছত দলটোৰ অভ্যন্তৰত বিদ্ৰোহৰ জুয়ে ভয়াবহ ৰূপ লোৱা বুলি এটা বাৰতি মুখ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে শাসক-বিৰোধী পক্ষৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন দাখলিৰ সময়ত শপতনামা যোগে সম্পত্তিৰ বিবৰন দাখিল কৰাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে পাঁচখন ঘৰুৱা বিমানৰ পৰিচালনা গুৱাহাটী বিমান বন্দৰৰ দুই নম্বৰ টাৰ্মিনেললৈ স্থানান্তৰ কৰাৰ বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে প্ৰচণ্ড তুষাৰপাতেৰে ঢাকি ধৰিছে দাৰ্জিলিং-ছিকিম, বহু পৰ্যটক বন্দী শিৰোনামেৰে ছিকিম আৰু দাৰ্জিলিঙত তুষাৰ পাতে ভয়ংকৰ ৰূপ লোৱাৰ বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে আমেৰিকাই ইৰানৰ খাৰুৱা তেল বিক্ৰীত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতে অৰুণাচলত ৩৩ টাকৈ জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে সেউজ সংকেত লাভ কৰাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে বিজেপিয়ে দলগাঁও, চিচিবৰ গাঁৱৰ বাবে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ইজৰাইলে আক্ৰমণ বৃদ্ধি কৰা হ'ব বুলি ভাবুকি দিয়াৰ বাতৰিক ISRAEL THREATENS SURGE IN ATTACKS AS IRAN TRAGETS US-UK AIR BASE শিৰোনামেৰে প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে একাংশ ঠিকাদাৰক প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ পূৰ্বে সম্পূৰ্ণ ধন আদায় দিয়াৰ বিষয় সন্দৰ্ভত বিভাগটোৰ পৰা ব্যাখ্যা বিচৰাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল আৰু মেঘালয়ৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

*ঃঃ সমাপ্ত ঃঃ*